চিত্ৰ ৩.৩ ৰ X অক্ষত কল্পনাপ্ৰসূত অভিপ্ৰায়ৰ বাবে মুদ্ৰাৰ চাহিদা আৰু Y অক্ষত সুদৰ শেহতীয়া বজাৰ দৰ জোখা হৈছে। কল্পনাপ্ৰসূত অভিপ্ৰায়ৰ বাবে মুদ্ৰাৰ চাহিদা অথবা লিকুইডিটি অগ্ৰাধিকাৰ বক্ৰৰেখা (L_2) ডাল বাওঁফালৰ পৰা সোঁফাললৈ নিম্নগামী হৈছে। ই মুদ্ৰাৰ কল্পনাপ্ৰসূত চাহিদা আৰু সুদৰ শেহতীয়া হাৰৰ মাজৰ বিপৰীত সম্পৰ্কটোৰ কথা সূচিত কৰে। সুদৰ হাৰ উচ্চ হ'লে, যেনে- i_1,মুদ্ৰাৰ কল্পনাপ্ৰসূত চাহিদাৰ স্তৰ নিম্ন হ'ব, যেনে- M_1। যেতিয়া হাৰ i_2লৈ নামিব, কল্পনাপ্ৰসূত অভিপ্ৰায়ত মুদ্ৰা জমা ৰখাৰ স্তৰ M_2 লৈ বাঢ়িব। একেদৰে, সুদৰ হাৰ যদি আৰু অধিক কমি গৈ i_3 স্তৰ পায়গৈ, তেন্তে মুদ্ৰাৰ চাহিদা M_3 লৈ বাঢ়িব।

তাৰল্য ফান্দ (Liquidity trap) ঃ চিত্ৰ ৩.৩ ৰ পৰা গম পোৱা গ'ল যে যেতিয়া সুদৰ সৰ্বনিম্ন হাৰ i_3 স্তৰ পায়গৈ, মুদ্ৰাৰ কল্পনাপ্ৰসূত চাহিদাৰ ৰেখাই সম্পূৰ্ণ স্থিতিস্থাপক ৰূপ ধাৰণ কৰে। ই এইটোকে সূচায় যে যেতিয়া সুদৰ হাৰ এক নিৰ্দিষ্ট নিম্ন স্তৰলৈ নামে তেতিয়া' মানুহৰ টকা ধাৰলৈ দিয়াৰ আগ্ৰহ নাইবা ঋণপত্ৰ কিনাৰ ইচ্ছা নাথাকে। সেইখিনি সময়ত মানুহে সমস্ত মুদ্ৰা নগৰ ধন ৰূপে জমা ৰাখিব খোজে। তাৰল্য প্ৰীতি ৰেখাৰ এই অংশটোৱে মানুহে প্ৰদৰ্শন কৰা এটা 'চৰম তাৰল্য প্ৰীতি' (absolute Liquidity Preference)দশাৰ কথা বুজায়। ইয়াকে তাৰল্যফান্দ বোলা হয়। এই দশাত প্ৰতিগৰাকী ব্যক্তিয়েই পতিয়ান যায় যে সুদৰ শেহতীয়া বজাৰ দৰ অতি নিম্ন আৰু এই হাৰ ভৱিষ্যতে বৃদ্ধি হ'বই। এই সময়ছোৱাত হাতত ঋণপত্ৰ ৰাখি থোৱাটো এটা বিপদসংকুল কাম। সুদৰ হাৰ ভৱিষ্যতে বাঢ়িবই বুলি অনুমান কৰা মানুহে হাতত অসীম পৰিমাণৰ নগদ ধন জমা ৰাখিব খোজে। এই বিপদজনক নিম্ন স্তৰ পোৱাৰ পাচত সুদৰ হাৰ অধিক নিম্নগামী হ'ব নোৱাৰে আৰু সেই বিন্দুতে স্থিৰ হৈ ৰৈ যায় (becomes sticky)। তলত উল্লেখ কৰা কাৰণবোৰৰ বাবে তাৰল্য ফান্দৰ সৃষ্টি হ'ব পাৰে।

- মানুহে উপাৰ্জনৰ ৰূপত সুদ আয় কৰাৰ প্ৰত্যাশাৰে ঋণপত্ৰত ধন বিনিয়োগ কৰে। নগদ ধনক ঋণপত্ৰলৈ সলনি কৰা প্ৰক্ৰিয়াটোত কিছুমান নিৰ্দিষ্ট খৰছ থাকে। যদি সুদৰ হাৰ ইমানেই কম হয় যে ই ঋণপত্ৰ ক্ৰয়ৰ নামত হোৱা খৰছৰ জোৰা মাৰিব নোৱাৰে আৰু ঋণপত্ৰ হাতত ৰখাটো এক অসুবিধাজনক কথা হৈ পৰে, তেতিয়া মানুহে ঋণপত্ৰ জমা ৰখাৰ প্ৰতি কোনো আগ্ৰহ নেদেখুৱায়।
- লিকুইডিটি জালে সুদৰ হাৰৰ বাবে এক আধাৰ স্তৰ (floor level) সৃষ্টি কৰে। সুদৰ হাৰ তাতকৈ নিম্নগামী হ'ব নোৱাৰে। এনে পৰিস্থিতিত সুদৰ হাৰ ভৱিষ্যতে বঢ়াৰ আৰু ঋণপত্ৰৰ মূল্য কমাৰ পূৰ্ণ সম্ভাৱনা থাকে। এই কথাই মানুহক ঋণপত্ৰ কিনাৰ সলনি হাতত কেৱল নগদ ধন জমা ৰাখিবলৈ আগ্ৰহী কৰি তোলে।
- যেতিয়া মানুহৰ হাতত ঋণপত্ৰৰ সলনি মুদ্ৰা থাকে, তেতিয়া সুদৰ হাৰ হিচাপে লাভ কৰিবলগীয়া আয়খিনিক বাদ দিবলগীয়া হয়। অৰ্থাৎ, সুদৰ হাৰ হ'ল নগদ ধন হিচাপে হাতত ৰখা মুদ্ৰাৰ মূল্য. সুদৰ অতি নিম্ন হাৰত এই মূল্য যৎসামান্য হয় বাবে মানুহে এনে সময়ত হাতত অধিক নগদ ধন ৰখাৰ প্ৰতি আগ্ৰহী হৈ পৰে।

নীতিগতভাৱে তাৎপৰ্যপূৰ্ণ কথাটো হ'ল তাৰল্য ফান্দ ক্ষেত্ৰখনত মুদ্ৰা নীতি সম্পৰ্ণভাৱে

অফলপ্রসূ হৈ পৰে। সম্প্রসাৰণসাধ্য মুদ্রা নীতি (Expansionary monetary policy)য়ে বিনিয়োগক উৎসাহিত কৰিবলৈ আৰু তাৰল্য ফান্দৰ অস্তিত্বৰ ফলত সৃষ্ট মন্দাৱস্থা (depression) ৰ পৰা অর্থনীতিক উদ্ধাৰ কৰিবলৈ সুদৰ হাৰ আৰু তললৈ নমাব নোৱাৰে। এইটো কাৰণতে কেইন্সে অর্থনৈতিক মন্দাৱস্থাৰ পৰা পৰিত্রাণ পোৱাত মুদ্রা নীতিৰ ফলপ্রসূতাক লৈ সন্দেহ ব্যক্ত কৰিছিল। ইয়াৰ পৰিৱর্তে তেওঁ ৰাজস্ব নীতি (Fiscal policy)ৰ পোষকতা কৰিছিল। কাৰণ, এনে নীতিয়ে কৰ কর্তন (tax cut) আৰু চৰকাৰী ব্যয় (public expenditure) বৃদ্ধি কৰি মুঠ চাহিদা (aggregate demand) বৃদ্ধি কৰিব পাৰে।


৩.৬ মুদ্রাৰ সর্বমুঠ চাহিদা

মুদ্রাৰ সর্বমুঠ চাহিদা মানে হ'ল সক্রিয় নগদী ভাৰসাম্য চাহিদা আৰু নিষ্ক্রিৰ নগদ ভাৰসাম্য চাহিদাৰ যোগফল। সক্রিয় নগদী ভাৰসাম্য চাহিদা হ'ল উপার্জন স্তৰ আৰু ইয়াৰ সুদ অস্থিতিস্থাপকৰ এক সুস্থিৰ ফলন, যদিহে সুদৰ হাৰ অতি উচ্চ নহয়। নিষ্ক্রিয় নগদী ভাৰসাম্য চাহিদা হ'ল সুদৰ শেহতীয়া বজাৰ দৰৰ এক ফলন। অর্থাৎ, অর্থনীতিত মুদ্রাৰ সর্বমুঠ চাহিদা হ'ল উপার্জন স্তৰ আৰু সুদৰ হাৰৰ এক মিলিত ফলন।

$$L=L_1+L_2$$
$$=K(Y)+f(i)$$
$$=F(Y,i)$$

চিত্র ৩.৩ ত মুদ্রাৰ সর্বমুঠ চাহিদাক সক্রিয় নগদী ভাৰসাম্য চাহিদা আৰু নিষ্ক্রিয় নগদী ভাৰসাম্য চাহিদাৰ এক পার্শ্বীয় যোগফল (lateral summation) হিচাপে ৰেখাচিত্রৰ সহায়ত দেখুওৱা হৈছে।

চিত্র ৩.৪ মুদ্রাৰ সর্বমুঠ চাহিদা



চিত্র ৩.৪ ৰ (ক) অংশত সক্রিয় ভাৰসাম্য চাহিদা (L_1)ক উপার্জনৰ বিভিন্ন স্তৰৰ সুদৰ হাৰৰ এক

প্রকার্য ৰূপে দেখুওৱা হৈছে। আমি জানো যে, সক্রিয় ভাৰসাম্য চাহিদা হ'ল সুদ অস্থিতিস্থাপক। সেয়েহে L_1 ৰেখা হ'ব পোন উলম্ব ৰেখা। উপার্জনৰ Y_1 ৰেখা স্তৰত সক্রিয় ভাৰসাম্য চাহিদাক $L_1(Y_1)$ ৰেখাৰে উপস্থাপন কৰা হৈছে। যেতিয়া উপার্জন Y_2 স্তৰলৈ বাঢ়ে, সক্রিয় ভাৰসাম্য চাহিদা ৰেখাডাল $L_1(Y_2)$ লৈ সলনি হয়। (খ) অংশৰ ৰেখাচিত্রই মুদ্রাৰ কল্পনাপ্রসূত চাহিদা অথবা নিষ্ক্রিয় নগদী ভাৰসাম্য চাহিদা ৰেখা (L_2) ক উপস্থাপন কৰিছে। ৰেখাডাল নিম্নগামী হোৱাটোৱে মুদ্রাৰ কল্পনাপ্রসূত চাহিদা আৰু সুদৰ শেহতীয়া বজাৰ দৰৰ মাজত থকা বিপৰীত সম্পর্কটোৰ কথা সূচাইছে। (গ) অংশত মুদ্রাৰ সর্বমুঠ চাহিদা ৰেখা (L) ডাল উপস্থাপন কৰা হৈছে। ইয়াক L_1 আৰু L_2 ৰেখা যোগ কৰি পোৱা গৈছে। মুদ্রাৰ সর্বমুঠ চাহিদা ৰেখাৰ আকৃতি মুদ্রাৰ কল্পনাপ্রসূত চাহিদা ৰেখা (L_2) ই নির্ধাৰণ কৰে। ইয়াৰ অৱস্থান উপার্জন স্তৰে নির্ণয় কৰে। যেতিয়া উপার্জন Y_1 ৰ পৰা Y_2 লৈ বাঢ়ে, তেতিয়া মুদ্রাৰ সর্বমুঠ চাহিদা ৰেখাডাল সোঁফালৈলৈ গতি কৰে।

অগ্রগতি নিৰীক্ষণ

প্রশ্ন ৮ ঃ মুদ্রাৰ কল্পনাপ্রসূত চাহিদাৰ সংজ্ঞা দিয়ক। (প্রায় ৩০ টা শব্দৰ ভিতৰত)

.....



.....

.....

প্রশ্ন ৯ ঃ তাৰল্য ফান্দ মানে কি? । (প্রায় ৪০ টা শব্দৰ ভিতৰত)

.....

.....

.....

.....

প্রশ্ন ১০ ঃ সুদৰ হাৰ আৰু ঋণপত্রৰ মূল্যৰ মাজত কি সম্পর্ক আছে? (প্রায় ৪০ টা শব্দৰ ভিতৰত)

.....

.....

.....

.....



৩.৭ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- মুদ্রাৰ চাহিদা বিষয়ক কেইন্সীয়ান তত্ত্বটো কেইন্সৰ গ্ৰন্থ The General Theory of Employment, Interest and Money (১৯৩৬ চনত প্ৰকাশিত) ত সন্নিৱিষ্ট কৰা হৈছিল। কেইন্সৰ মতে মুদ্রাৰ তাৰল্যতা আছে বাবেই মুদ্রা চাহিদাৰ সৃষ্টি হয়। তেওঁ এই কথাটো তাৰল্য প্ৰীতি বোলা অভিধাৰণাটোৰ বুজোৱাৰ প্ৰয়াস কৰিছিল। ইয়াৰ অৰ্থ হ'ল মানুহৰ নগদ ধন হিচাপে মুদ্রা জমা কৰি ৰখাৰ ইচ্ছা।
- ধ্ৰুপদী অৰ্থনীতিবিদসকলৰ মতামতৰ পৰা ফালৰি কাটি গৈ মুদ্রা চাহিদাৰ কেইন্সীয় তত্ত্বই মুদ্রাৰ জমাধন চাহিদাৰ ওপৰত অধিক গুৰুত্ব আৰোপ কৰে। কেইন্সে মুদ্রাৰ চাহিদা অথবা লিকুইডিটি অগ্ৰাধিকাৰৰ তিনিটা অভিপ্ৰায়ৰ বিষয়ে উল্লেখ কৰিছে- (i) লেনদেন অভিপ্ৰায়, (ii) সতৰ্কতামূলক অভিপ্ৰায় আৰু (iii) কল্পনাপ্ৰসূত অভিপ্ৰায়।
- মুদ্রাৰ বিনিময় কাৰ্য সমাধা কৰিব পৰা মাধ্যম হিচাপে কাম কৰে বাবে মুদ্রাৰ লেনদেন চাহিদাৰ সৃষ্টি হয়। মুদ্রাই বিনিময়ৰ মাধ্যম হিচাপে কাম কৰে। সেয়েহে মানুহে নিজৰ উপাৰ্জনৰ এটা অংশ সাময়িক লেনদেন কৰিবলৈ নগদ ধন অথবা লিকুইডিটি হিচাপে নিজৰ সৈতে ৰাখে।
- মুদ্রাৰ লেনদেন চাহিদাক কেইন্সে পুনৰ দুটা উপ-ভাগত ভাগ কৰিছে- উপাৰ্জন অভিপ্ৰায় আৰু ব্যৱসায়িক অভিপ্ৰায়। উপাৰ্জন অভিপ্ৰায়ে পৰিয়ালবোৰৰ উপাৰ্জন প্ৰাপ্তি আৰু দৈনিক ব্যয়ৰ মাজৰ ব্যৱধান পূৰণ কৰে। ব্যৱসায়িক অভিপ্ৰায় মানে হ'ল ব্যৱসায়ী আৰু উদ্যোগীসকলৰ বৰ্তমান লেনদেন অভিপ্ৰায়। ই প্ৰধানতঃ এক নিৰ্দিষ্ট সময়ৰ ভিতৰত হোৱা ব্যৱসায়িক ক্ৰয়-বিক্ৰয়ৰ ওপৰত নিৰ্ভৰশীল।
- লেনদেন অভিপ্ৰায়ৰ মুদ্রা চাহিদা উপাৰ্জন স্তৰৰ ওপৰত নিৰ্ভৰশীল। ই উপাৰ্জন স্তৰৰ সমানুপাতিক।
- দৈনন্দিন ব্যয়ৰ উপৰি জৰুৰী অৱস্থা আৰু হঠাতে দেখা দিয়া উপনিমিত্ত ব্যয়ৰ জোৰা মাৰিবলৈ মানুহক প্ৰয়োজন হোৱা নগদ ধনৰ বাবে মুদ্রাৰ সতৰ্কতামূলক চাহিদাৰ সৃষ্টি হয়। এই চাহিদা হ'ল উপাৰ্জন স্তৰ বৃদ্ধিৰ সৈতে জড়িত এক ফলন।
- মুদ্রাৰ কল্পনাপ্ৰসূত চাহিদাই মুদ্রাৰ মজুতমূল্য অথবা জমা ধনৰূপী ফলনৰ কথা বুজায়। এই চাহিদা অনুসৰি মানুহে সুদৰ হাৰত হ'ব পৰা ভৱিষ্যৎ পৰিৱৰ্তনৰ ফলত ভৱিষ্যতে হ'ব পৰা লাভৰ কল্পনা কৰি হাতত নগদ ধন জমা ৰাখে।
- কল্পনাপ্ৰসূত অভিপ্ৰায়ৰ বাবে সৃষ্টি হোৱা মুদ্রা চাহিদা হ'ল সুদৰ শেহতীয়া বজাৰ দৰৰ এক বিপৰীত ফলন যদি শেহতীয়া সুদৰ হাৰ উচ্চ হয়, কল্পনাপ্ৰসূত উদ্দেশ্যৰ বাবে মুদ্রাৰ চাহিদা কমি যায় অথবা ইয়াৰ ওলোটাটো হ'লে মুদ্রাৰ চাহিদা বাঢ়ে।

- যেতিয়া সুদৰ হাৰ সর্বনিম্ন হয়, মুদ্রাৰ কল্পনাপ্রসূত চাহিদা ৰেখাই সম্পূর্ণ স্থিতিস্থাপক ৰূপ ধাৰণ কৰে। সেইখিনি সময়ত মানুহে সমস্ত মুদ্রা নগদ ধন ৰূপে জমা ৰাখিব খোজে। ইয়াকে তাৰল্য ফান্দ বোলা হয়।
- কোনো এক অর্থনীতিত মুদ্রাৰ সর্বমুঠ চাহিদা উপার্জনৰ স্তৰ আৰু সুদৰ হাৰৰ ওপৰত নির্ভৰশীল হয়।



৩.৮ অধিক জানিবৰ বাবে

ইংৰাজী গ্রন্থ ঃ

- Ahuja, H.L (2003). *Macroeconomics- Theory and Policy*. New Delhi: S.Chand & Company Ltd.
- Paul,R.R.(2008). *Monetary Economics*. Ludhiana: Kalyani Publisher
- Rana, K.C and Verma, K.N. (1976). *Macroeconomics Analysis*. Jalandhar: Vishal Publishing Co.

অসমীয়া গ্রন্থ ঃ

- আহমেদ, ৰফিক (২০০৭) ঃ *সমষ্টিগত অর্থতত্ত্ব*। যোৰহাট ঃ ইউনিকা প্রকাশন।

৩.৯ অগ্রগতিৰ খতিয়ান

১ নং প্রশ্নৰ উত্তৰ ঃ কেইন্সৰ মতে মুদ্রাৰ তাৰল্যগুণ আছে বাবেই মুদ্রা চাহিদাৰ সৃষ্টি হয়। তেওঁ এই কথাটো 'লিকুইডিটি অগ্রাধিকাৰ' বোলা অভিধাৰণটোৰে বুজোৱাৰ প্রয়াস কৰিছিল। ইয়াৰ অর্থ হ'ল মানুহৰ নগদ ধন হিচাপে মুদ্রা জমা কৰি ৰখাৰ ইচ্ছা।

২ নং প্রশ্নৰ উত্তৰ ঃ মুদ্রাৰ লেনদেন চাহিদা মানে হ'ল পৰিয়াল অথবা ব্যৱসায়ীয়ে সামগ্রী আৰু সেৱা কিনাৰ বাবদ হ'ব পৰা সাময়িক ব্যয়ৰ বাবে আয়ৰ এটা অংশ নগদ ধনৰূপে হাতত ৰখা কার্য।

৩ নং প্রশ্নৰ উত্তৰ ঃ মুদ্রাৰ লেনদেন চাহিদাৰ উপার্জন অভিপ্রায়ে পৰিয়ালবোৰৰ উপার্জন প্রাপ্তি আৰু দৈনিক ব্যয়ৰ মাজৰ ব্যৱধান পূৰণ কৰে। উপার্জন সাধাৰণতে এক নির্দিষ্ট সময়ৰ অন্তৰে অন্তৰে আমাৰ হাতত পৰে। কিন্তু খৰছৰ প্রয়োজনীয়তা দৈনিক ভিত্তিত সৃষ্টি হয়। সেয়েহে উপার্জন প্রাপ্তি আৰু ব্যয়ৰ মাজত থকা সময়ৰ ব্যৱধান পূৰণ কৰিবলৈ পৰিয়ালৰ

হাতত নগদ ধন হিচাপে কিছু মুদ্রা জমা থাকিব লাগে। মুদ্রাৰ লেনদেন চাহিদাৰ ব্যৱসায়িক অভিপ্রায় মানে হ'ল ব্যৱসায়ী আৰু উদ্যোগীসকলৰ বর্তমান লেনদেন অভিপ্রায়। ই প্রধানতঃ এক নির্দিষ্ট সময়ৰ ভিতৰত হোৱা ব্যৱসায়িক ক্রয়-বিক্রয়ৰ ওপৰত নির্ভৰশীল।

৪ নং প্রশ্নৰ উত্তৰ ঃ মুদ্রাৰ লেনদেন চাহিদা বহুকেইটা কাৰকৰ ওপৰত নির্ভৰশীল। এনে কাৰক দুটামান হ'ল- উপার্জন, মূল্য স্তৰ, উপার্জন প্রাপ্তি আৰু ব্যয়ৰ মাজত থকা সময়ৰ ব্যৱধান, উপার্জন আৰু ব্যয়ৰ সঘনতা ব্যৱসায়িক লাভালাভ ইত্যাদি। উপার্জন আৰু ব্যয়ৰ প্রৱাহ নির্ণয়কাৰী এই কাৰকবোৰক ধ্রুৱক বুলি ধৰি ল'লে আমি দেখিম যে লেনদেন অভিপ্রায়ৰ মুদ্রা চাহিদা উপার্জনৰ স্তৰৰ ওপৰত নির্ভৰশীল।

৫ নং প্রশ্নৰ উত্তৰ ঃ দৈনিক ব্যয়ৰ উপৰি জৰুৰী অৱস্থা আৰু হঠাতে দেখা দিয়া উপনিমিত্ত, যেনে- কর্মসংস্থাপনহীনতা, অসুস্থতা, দু ঘর্টনা আদিৰ বাবে মানুহে হাতত কিছু নগদ ধন জমা ৰখাৰ চাহিদাটোকে মুদ্রাৰ সতর্কতামূলক চাহিদা বোলে।

৬ নং প্রশ্নৰ উত্তৰ ঃ মুদ্রাৰ সতর্কতামূল চাহিদা আৰু লেনদেন চাহিদা উভয়ে মিলি সক্রিয় নগদী ভাৰসাম্যৰ চাহিদাৰ সৃষ্টি কৰে। সক্রিয় নগদী ভাৰসাম্যৰ চাহিদা উপর্জন স্তৰ আৰু সুদ অস্থিতিস্থাপকতাৰ ওপৰত নির্ভৰশীল।

৭ নং প্রশ্নৰ উত্তৰ ঃ মুদ্রাৰ সতর্কতামূলক চাহিদা আৰু লেনদেন চাহিদা উভয়ে মিলি সক্রিয় নগদী ভাৰসাম্যৰ চাহিদাৰ সৃষ্টি কৰে। সক্রিয় ভাৰসাম্যৰ চাহিদা হ'ল উপার্জন স্তৰৰ এক ঊর্দ্ধমুখী প্রকার্য আৰু সুদ অস্থিতিস্থাপক। উপার্জনৰ স্তৰ বঢ়াৰ লগে লগে সক্রিয় নগদী ভাৰসাম্যৰ চাহিদা বাঢ়ে আৰু ইয়াৰ ওলোটাটো হ'লে চাহিদা কমে।

৮ নং প্রশ্নৰ উত্তৰ ঃ মুদ্রাৰ কল্পনাপ্রসূত চাহিদা অনুসৰি মানুহে সুদৰ হাৰত হ'ব পৰা ভৱিষ্যৎ পৰিৱর্তনৰ ফলত ভৱিষ্যতে হ'ব পৰা লাভৰ কল্পনা কৰি হাতত নগদ ধন জমা ৰাখে। এই চাহিদাই মুদ্রাৰ মূল্যনিধি অথবা জমাধন ৰূপী প্রকার্যৰ কথা বুজায়।

৯ নং প্রশ্নৰ উত্তৰ ঃ যেতিয়া সুদৰ হাৰ সর্বনিম্ন স্তৰ পায়গৈ, তেতিয়া মুদ্রাৰ কল্পনাপ্রসূত চাহিদা ৰেখাই সম্পূর্ণ স্থিতিস্থাপক ৰূপ ধাৰণ কৰে। ই এইটোকে সূচায় যে যেতিয়া সুদৰ হাৰ এক নির্দিষ্ট নিম্ন স্তৰলৈ নামে তেতিয়া মানুহৰ টকা ধাৰলৈ দিয়াৰ আগ্রহ নাইবা ঋণপত্র কিনাৰ ইচ্ছা নাথাকে। সেইখিনি সময়ত মানুহে সমস্ত মুদ্রা নগদ ধনৰূপে জমা ৰাখিব খোজে। তাৰল্যপ্রীতি ৰেখাৰ এই অংশটোৱে মানুহে প্রদর্শন কৰা এটা চৰম তাৰল্য প্রীতিৰ দশাৰ কথা বুজায়। ইয়াকে তাৰল্য ফান্দ বোলা হয়।

১০ নং প্রশ্নৰ উত্তৰ ঃ সুদৰ শেহতীয়া বজাৰ দৰ আৰু ঋণপত্রৰ মূল্যৰ মাজত এক বিপৰীত সম্পর্ক আছে। যদি সুদৰ হাৰ উচ্চ হয় তেন্তে ঋণপত্রৰ মূল্য কম হয় আৰু যদি সুদৰ হাৰ

নিম্ন হয় তেন্তে ঋণপত্ৰ আৰু চিকিউৰিটি আদিৰ মূল্য বাঢ়ে।



৩.১০ আৰ্হি প্ৰশ্ন

চুটি প্ৰশ্ন (১৫০ টা মান শব্দৰ ভিতৰত প্ৰতিটো প্ৰশ্নৰ উত্তৰ লিখক)

প্ৰশ্ন ১ ঃ মুদ্রা চাহিদাৰ কেইন্সীয় তত্ত্ব আৰু মুদ্রা চাহিদাৰ ধ্ৰুপদী তত্ত্বৰ মাজত কি প্ৰভেদ আছে?

প্ৰশ্ন ২ ঃ সক্ৰিয় নগদী ভাৰসাম্য চাহিদা আৰু নিষ্ক্ৰিয় নগদী ভাৰসাম্য চাহিদাৰ মাজত থকা পাৰ্থক্য চমুকৈ ব্যাখ্যা কৰক।

প্ৰশ্ন ৩ ঃ তাৰল্য ফান্দৰ ধাৰণাটো উল্লেখ কৰক।

প্ৰশ্ন ৪ ঃ তাৰল্য ফান্দৰ নীতিগত তাৎপৰ্য কি?

ৰচনাধৰ্মী প্ৰশ্ন (৩০০-৫০০ টা মান শব্দৰ ভিতৰত প্ৰতিটো প্ৰশ্নৰ উত্তৰ লিখক)

প্ৰশ্ন ১ ঃ কেইন্সে আগবঢ়োৱা মুদ্রা চাহিদাৰ অভিপ্ৰায় তিনিটা ব্যাখ্যা কৰক।

প্ৰশ্ন ২ ঃ মুদ্রা চাহিদাই নিৰ্ভৰ কৰা কাৰকবোৰৰ ব্যাখ্যা আগবঢ়াওক।

প্ৰশ্ন ৩ ঃ মুদ্রাৰ সৰ্বমুঠ চাহিদা বিষয়ক কেইন্সীয় ফলনটো বহলাই বৰ্ণনা কৰক।

প্ৰশ্ন ৪ ঃ মুদ্রাৰ সৰ্বমুঠ চাহিদা-সক্ৰিয় ভাৰসাম্য চাহিদা আৰু নিষ্ক্ৰিয় ভাৰসাম্য চাহিদাৰ পাৰ্শ্বীয় যোগ ফল বুলি ৰেখাচিত্ৰৰ সহায়ত প্ৰমাণ কৰি দেখুৱাওক।

** ***** **